# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-10-2023
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১।	কেন্দ্ৰীয় মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে ভাৰতীয় ভাষাৰ সৈতে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাক সংযোগ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

২।	মণিপুৰত শেহতীয়াকৈ দুগৰাকী শিক্ষাৰ্থীৰ নৃশংস হত্যাকাণ্ড সন্দৰ্ভত চাৰিজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

৩।	আকাশবাণীৰ দ্বিভাষিক লাইভ ফোন-ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত জন্ম আৰু মৃত্যুৰ ডিজিটিয় পঞ্জীয়ন - এই বিষয় সন্দৰ্ভত আলোচনা আগবঢ়োৱা হ'ব।

৪।	এছিয়া কাপ ক্ৰিকেটত আজি শ্ৰীলংকাৰ পালেকেলেত হ'বলগীয়া গ্ৰুপ-এ মেচত ভাৰত পাকিস্তানৰ মুখামুখি হ'ব।

*আৰু*

৫।	চীনৰ হাংঝৌত চলি থকা ২০২৩ বৰ্ষৰ এছিয়ান গেমছৰ অষ্টম দিনাৰ অন্তত ভাৰতে এতিয়ালৈকে ১৩টা সোণ, ২১টা ৰূপ আৰু ১৯টা ব্ৰঞ্জসহ মুঠ ৫৩টা পদক লাভ কৰি পদক তালিকাৰ চতুৰ্থ স্থানত আছে।

ooooo

কেন্দ্ৰীয় মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে ভাৰতীয় ভাষাৰ সৈতে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাক সংযোগ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত হোৱা প্ৰযুক্তি আৰু ভাৰতীয় ভাষা সন্মিলনত ড০ সিঙে কয় যে ইংৰাজী ভাষা নোকোৱাসকলক শিক্ষাৰ ক্ষেত্ৰত প্ৰায়ে পিছৰ শাৰীত ৰখা হয়। ব্ৰিটিছ যুগৰ শিক্ষানীতিয়ে ইংৰাজীক সফলতাৰ দ্বাৰ হিচাপে ৰাখিছিল বুলিও তেওঁ উল্লেখ কৰে। ড০ সিঙে এনে এটা ব্যৱহাৰিক সমাধানৰ আহ্বান জনায়, যিটো কেৱল প্ৰচাৰতে সীমাবদ্ধ নাথাকি সঁচা অৰ্থত থলুৱা ভাষাৰ বিকাশৰ অৰ্থে ব্যৱহাৰ হয়। ভাষা সম্পৰ্কীয় নীতিৰ পৰিৱৰ্তনে ছাত্ৰ-ছাত্ৰীসকলক উন্নত জীৱিকা বাছনি কৰাত ভৱিষ্যতে সহায় কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। থলুৱা ভেকচিন আৰু চন্দ্ৰযান অভিযানৰ জৰিয়তে স্বাস্থ্য সেৱা আৰু প্ৰযুক্তি বিদ্যাৰ ক্ষেত্ৰত ৰাষ্ট্ৰই অগ্ৰগতি

লাভ কৰাকেই প্ৰতিফলিত কৰে বুলি তেওঁ উল্লেখ কৰে। ২০৪৭ চনৰ ভিতৰত ভাৰতে যেতিয়া স্বাধীনতাৰ শতবৰ্ষ উদযাপন কৰিব, তেতিয়া দেশে আজিৰ কঠোৰ পৰিশ্ৰমৰ ফল লাভ কৰিব বুলিও তেওঁ প্ৰকাশ কৰে।

০০০০০

মণিপুৰত শেহতীয়াকৈ দুগৰাকী শিক্ষাৰ্থীৰ নৃশংস হত্যাকাণ্ড সন্দৰ্ভত চাৰিজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। মুখ্যমন্ত্ৰী এন বিৰেন সিঙে কালি এই কথা প্ৰকাশ কৰে। উল্লেখযোগ্য যে যোৱা জুলাই মাহৰ পৰা সন্ধানহীন হৈ থকা ফিজাম হেমজিৎ আৰু হিজাম লিনথোইনগাম্বী নামৰ দুগৰাকী শিক্ষাৰ্থী হত্যাকাণ্ডৰ আলোকচিত্ৰ সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছিল। মুখ্যমন্ত্ৰীৰ সচিবালয়ত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে কালি কয় যে কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা- চিবিআইৰ এটা বিশেষ দলে চাৰিওজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। মুখ্যমন্ত্ৰীয়ে জনসাধাৰণক কোনো ধৰণৰ উৰা বাতৰিক প্ৰশ্ৰয় নিদিবলৈ আহ্বান জনাইছে। তেওঁ কয় যে দেশৰ বাহিৰৰ দুষ্কৃতিকাৰীৰ সহযোগত একাংশ লোকে ৰাজ্যখনত উদ্বেগজনক পৰিস্থিতিৰ সৃষ্টি কৰিছে।

০০০০০

কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি হাৰিয়ানাৰ গুৰগাঁও ৰে'ল ষ্টেছনত স্বচ্ছতাৰ বাবে শ্ৰমদান কৰে। তেওঁ ৰে'ল ষ্টেচনৰ চৌহদৰ লগতে ৰে'ল লাইনসমূহৰ স্বচ্ছতা অভিযানতো ভাগ লয়। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে বন্দে ভাৰত এক্সপ্ৰেছৰ বাবে ১৪ মিনিটৰ বিশেষ স্বচ্ছতা কাৰ্যসূচীও মুকলি কৰে। তেওঁ কয় যে ক্ষীপ্ৰতাৰে কৰা স্বচ্ছতাৰ অনুশীলনে বন্দে ভাৰত ৰে'লৰ সময়ো যথেষ্ট ৰাহি কৰিব। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সদায় জনসাধাৰণক সেৱা আগবঢ়োৱাৰ নতুন নতুন উপায় অৱলম্বন কৰাৰ বাবে সকলোকে উৎসাহিত কৰি আহিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এছিয়ান গেমছৰ মহিলাৰ ১৫০০ মিটাৰ শাখাত ৰূপৰ পদক লাভ কৰা হৰমিলন বেইনছক শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে খেলুৱৈগৰাকীয়ে নিজৰ কঠোৰ পৰিশ্ৰম আৰু ধৈৰ্যৰে উৎকৃষ্ট খেল প্ৰদৰ্শন কৰিছে। শ্ৰীমোদীয়ে পুৰুষৰ ১৫০০ মিটাৰত ৰূপৰ পদক লাভ কৰা অজয় কুমাৰ চৰোজ আৰু ব্ৰঞ্জৰ পদক লাভ কৰা জিনছন জনছনক অভিনন্দন জ্ঞাপন কৰে। তেওঁ খেলুৱৈ দুগৰাকীয়ে আগলৈও সুন্দৰ প্ৰদৰ্শন আগবঢ়াব বুলিও আশা প্ৰকাশ কৰে। আনহাতে, মহিলাৰ ৮০০ মিটাৰ হেপটাথেলনত ব্ৰঞ্জৰ পদক দখল কৰা নন্দিনী আগাছাৰা আৰু এই প্ৰতিযোগিতাত ৰূপৰ পদক আজুৰি অনা লং জাম্পাৰ শ্ৰীশংকৰ মুৰলীকো প্ৰধানমন্ত্ৰীয়ে শুভেচ্ছা জ্ঞাপন কৰে। ডিছকাছ থ্ৰো শাখাত ব্ৰঞ্জৰ পদক লাভ কৰা সীমা পুণিয়াৰ প্ৰদৰ্শনকো প্ৰধানমন্ত্ৰীয়ে প্ৰশংসা কৰে। তেওঁ কয় যে খেলুৱৈসকলৰ একাগ্ৰতা আৰু কঠোৰ পৰিশ্ৰমে দেশক গৌৰৱান্বিত কৰিছে।

০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে এছিয়ান গেমছত পুৰুষৰ ৩ হাজাৰ মিটাৰ ষ্টীপলছেজ শাখাত দেশৰ হৈ প্ৰথমবাৰৰ বাবে সোণৰ পদক অৰ্জন কৰাৰ লগতে এই ক্ৰীড়া প্ৰতিযোগিতাত নিজৰ নামত অভিলেখ স্থাপন কৰাৰ বাবে অৱিনাশ ছাবলেক অভিনন্দন জনাইছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে কয় যে খেলুৱৈগৰাকীয়ে একাগ্ৰতা আৰু দক্ষতাৰ ফলত এই কীৰ্তিমান স্থাপন কৰিবলৈ সমৰ্থ হৈছে। তেওঁ কয় যে খেলুৱৈগৰাকীৰ এই সাফল্য কঠোৰ পৰিশ্ৰমৰ উৎকৃষ্ট নিদৰ্শন।

০০০০০

আকাশবাণীৰ দ্বিভাষিক লাইভ ফোন-ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত জন্ম আৰু মৃত্যুৰ ডিজিটিয় পঞ্জীয়ন - এই বিষয় সন্দৰ্ভত আলোচনা আগবঢ়োৱা হ'ব। অনুষ্ঠানত দেশৰ মহা পঞ্জীয়ক সঞ্জীৱ কুমাৰ উপস্থিত থাকিব। অনুষ্ঠান চলি থকাৰ সময়ত শ্ৰোতাসকলে পঞ্জীয়নৰ পদ্ধতি, প্ৰয়োজনীয় তথ্যপাতি, আৱেদন কৰাৰ সময়সীমাৰ লগতে জন্ম আৰু মৃত্যুৰ ডিজিটীয় পঞ্জীয়নৰ লগত জড়িত বিভিন্ন সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ০১১-২৩৭১-৭১০৬ আৰু ০১১-২৩৩১-৪৪৪৪ এই নম্বৰত ডায়েল কৰি অনুষ্ঠানত ভাগ ল'ব পাৰিব। ৯২৮৯০-৯৪০৪৪ এই ৱাটছএপ নম্বৰতো শ্ৰোতাসকলে নিজৰ প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গোল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুৱেন্সিসমূহতো এই অনুষ্ঠান পোনপটীয়াকৈ শুনিব পৰা যাব। আনহাতে আমাৰ ৱেবছাইট newsonair.gov.in আৰু youtube চেনেল newsonair official তো এই অনুষ্ঠান উপলব্ধ হ'ব।

০০০০০

এছিয়া কাপ ক্ৰিকেটত আজি শ্ৰীলংকাৰ পালেকেলেত হ'বলগীয়া গ্ৰুপ-এ মেচত ভাৰত পাকিস্তানৰ মুখামুখি হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন বিয়লি ৩ বজাৰ পৰা আৰম্ভ হ'ব। নেপালৰ লগতে ভাৰত আৰু পাকিস্তানক গ্ৰুপ-এত স্থান দিয়া হৈছে। আনহাতে, শ্ৰীলংকা, বাংলাদেশ আৰু আফগানিস্তানক গ্ৰুপ-বিত স্থান দিয়া হৈছে। ইপিনে শ্ৰীলংকাৰ বতৰ বিজ্ঞান বিভাগে কেণ্ডিকে ধৰি দ্বীপটোৰ এক বৃহৎ অংশত বৰষুণৰ সম্ভাৱনা আছে বুলি ৰেড এলাৰ্ট জাৰি কৰিছে।

০০০০০

চীনৰ হাংঝৌত চলি থকা ২০২৩ বৰ্ষৰ এছিয়ান গেমছৰ অষ্টম দিনাৰ অন্তত ভাৰতে এতিয়ালৈকে ১৩টা সোণ, ২১টা ৰূপ আৰু ১৯টা ব্ৰঞ্জসহ মুঠ ৫৩টা পদক লাভ কৰি পদক তালিকাৰ চতুৰ্থ স্থানত আছে।

বেডমিণ্টনত আয়োজক চীনৰ হাতত ৩-২ ছেটত পৰাস্ত হৈ ভাৰতে ৰূপৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়। স্বৰ্ণ পদকৰ বাবে হোৱা প্ৰতিযোগিতাখনত লক্ষ্য সেন আৰু শ্বাত্বিক ছাইৰাজ ৰেংকিৰেড্ডি আৰু ছিৰাগ ছেট্টিয়ে ভাৰতক ২-০ত অগ্ৰগতি প্ৰদান কৰিছিল। মহিলাৰ ১০০ মিটাৰ হাৰ্ডল ৰেচত এখন বিতৰ্কিত খেলৰ অন্তত জ্যোতি য়াৰ্জিয়ে ৰূপৰ পদক লাভ কৰে। লং জাম্পত ভাৰতৰ শ্ৰীশংকৰ মুৰালিয়ে ৰূপৰ পদক লাভ কৰে। মহিলাৰ ৮০০ মিটাৰ হেপটাথলনত ভাৰতৰ নন্দিনী আগাছাৰাই ব্ৰঞ্জৰ পদক লাভ কৰে। ডিচকাছ থ্ৰোত সীমা পুণিয়াই ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়। এয়া পুণিয়াৰ বাবে এছিয়ান গেমছত তৃতীয়টো পদক। মহিলাৰ ১৫০০ মিটাৰ দৌৰত হাৰমিলান বেইন্সে ৰূপৰ পদক লাভ কৰে। পুৰুষৰ ১৫০০ মিটাৰ দৌৰত অজয় কুমাৰ সৰোজে ৰূপ আৰু জিনচন জনচনে ব্ৰঞ্জৰ পদক পাবলৈ সমৰ্থ হৈছে।

পুৰুষৰ শ্বটপুটত ভাৰতৰ তেজিন্দৰ পাল সিং টোৰে ২০ দশমিক ৬৩ মিটাৰ দলিয়াই স্বৰ্ণপদক লাভ কৰে। ট্ৰেক আৰু ফিল্ড এথলেটিক্সত ভাৰতে প্ৰথমটো সোণৰ পদক লাভ কৰাৰ বিপৰীতে অবিনাশ মুকুন্দ ছেবেলে পুৰুষৰ তিনি হাজাৰ মিটাৰ ষ্টিপলচেজত স্বৰ্ণপদক লাভ কৰি দেশক গৌৰান্বিত কৰে।

পুৰুষৰ শ্যুটিঙৰ ব্যক্তিগত ট্ৰেপত ভাৰতৰ শ্যুটাৰ কাইনান দাৰিয়াছ চেনাইয়ে পদক লাভ কৰে। এক ৰোমাঞ্চকৰ খেলত চেনাইয়ে লেবেল হেডত থাকি ৩২ পইণ্টৰে ব্ৰঞ্জৰ পদক লাভ কৰে। ইয়াৰ পূৰ্বে চেনাইয়ে, যুৱাবৰ সিং সান্ধুই আৰু পৃথিৰাজ টন্দাইমানৰ সৈতে পুৰুষৰ দলীয় ট্ৰেপত ৩৬১ পইণ্টৰে স্বৰ্ণপদক লাভ কৰে। মহিলাৰ ট্ৰেপ ইভেণ্টত ৰাজেশ্বৰী কুমাৰী, মণিষা কীৰ আৰু প্ৰীতি ৰজকে ভাৰতৰ হৈ ৰূপৰ পদক লাভ কৰে। ইয়াৰ

লগে লগে ভাৰতৰ শ্যুটিং অভিযানৰ সামৰণি পৰে। শ্যুটিঙত ভাৰতে  অভিলেখ সংখ্যক ২২টা পদক লাভ কৰে, যিটো এছিয়ান গেমছত ভাৰতীয় শ্যুটাৰৰ সৰ্বাধিক পদক।

মহিলাৰ ব্যক্তিগত গ'ল্ফ ইভেণ্টত অদিতি অশোকে ৰূপৰ পদক লাভ কৰে। তেঁৱেই এছিয়ান গেমছত পদক লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় মহিলা গ'ল্ফাৰ। অসমৰ অম্লান বৰগোহাঁয়ে পুৰুষৰ ২০০ মিটাৰত তৃতীয় স্থান অধিকাৰ কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। ভাৰতীয় বক্সাৰ পাৰবিন হুদাই উজবেকিস্তানৰ চিটুৰা টুৰডিবেকভা ৫-০ ব্যৱধানত পৰাস্ত কৰি মহিলাৰ ৫৭ কিলোগ্ৰাম শাখাত কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। এই জয়েৰে পাৰবিনক পদক লাভ কৰাৰ আশ্বাস দিয়াৰ বিপৰীতে ভাৰতে **পেৰিছ ২০২৪**ৰ বাবে এই শাখাত অলিম্পিক কোটা নিশ্চিত কৰে।

এছিয়ান গেমছৰ নৱম দিনটোক লৈ ভাৰত যথেষ্ট আগ্ৰহী, বিশেষকৈ এথলেটিকছত একাধিক প্ৰতিযোগীতাত ভাৰত চূড়ান্ত খেলত অৱতীৰ্ণ হ'ব।

০০০০০

**সমাপ্ত**